# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date : 13-01-2026**
**Time : 21-25 Hrs.**

## *Assamese Night Bulletin*
**::::::::::::::::::::::::::::::::::::::::**

সমগ্ৰ ৰাজ্যতে কাইলৈ ব্যাপক উছাহ-উদ্দীপনাৰে ভোগৰ উৎসৱ ভোগালী বিহু পালন কৰা হ'ব। উৰুকাৰ নিশা প্ৰীতি ভোজ-ভাতৰ পাছত কাইলৈ পুৱাই ৰাইজে মেজি জ্বলাই অগ্নিক সেৱা কৰি আশিস ল'ব। ইয়াৰ পাছত অসমীয়া সমাজৰ পৰম্পৰা অনুসৰি জ্যেষ্ঠজনক সেৱা কৰাৰ লগতে কণিষ্ঠজনে আশীৰ্বাদ ল'ব। ভোগালী বিহু উদযাপনৰ লগত সংগতি ৰাখি নামঘৰ আৰু সত্ৰসমূহতো নাম প্ৰসংগ কৰা হ'ব। ৰাজ্যৰ বিভিন্ন প্ৰান্তত ভোগালী বিহু উপলক্ষে কাইলৈ কণীযুঁজৰ লগতে কণ-কণ ল'ৰা-ছোৱালী, মহিলা আৰু বয়োজ্যেষ্ঠ সকলৰ মাজত বিভিন্ন খেল-ধেমালিৰ আয়োজনৰ বাতৰি আমালৈ আহিছে।

ভোগালী বিহু উপলক্ষে ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্য্য আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। ৰাজ্যপালগৰাকীয়ে এটা বাৰ্তাত ভোগালী বিহুক অসমৰ চহকী সাংস্কৃতিক ঐতিহ্যৰ অমূল্য সম্পদ বুলি উল্লেখ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত ভোগালী বিহুক কৃষকৰ সমৃদ্ধিৰ প্ৰকাশ বুলি অভিহিত কৰে। তেওঁ কয়, যে ভোগালী মানে মিলা-প্ৰীতিৰে একেলগে এসাঁজ খাই আত্মীয়তাক উদযাপন কৰাৰ নাম।

০০০০

উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশৰ প্ৰতি সন্মান জনাই  হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰ কৰ্তৃপক্ষই পৰম্পৰাগত বুলবুলি চৰাইৰ যুঁজ খেল বাতিল কৰাৰ সিদ্ধান্ত লৈছে। পৰম্পৰা অনুসৰি মাঘৰ দোমাহীত মন্দিৰৰ বাকৰিত এই খেল অনুষ্ঠিত কৰা হয়। উচ্চতম ন্যায়ালয়ে ২০১৫ চনত এই খেল অনুষ্ঠিত কৰাত নিষেধাজ্ঞা জাৰি কৰিছিল। সৰ্বোচ্চ ন্যায়ালয়ৰ পূৰ্বৰ নিৰ্দেশৰ প্ৰতি লক্ষ্য ৰাখি খেল পৰিচালনা সমিতিয়ে বুলবুলি চৰাইৰ খেল বাতিল কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। এই সন্দৰ্ভত পৰিচালনা সমিতিৰ এগৰাকী সদস্যই এইদৰে কয়।

*-বাইট-*

০০০০

ৰাজ্যপাল লক্ষ্মনপ্ৰসাদ আচাৰ্যই   জুবিন গাৰ্গৰ  মৃত্যুৰ   গোচৰত ৰাজ্য চৰকাৰৰ   বিশেষ অধিবক্তা দল নিযুক্তি প্ৰস্তাৱত অনুমোদন জনাইছে। কেবিনেটৰ অনুমোদন মৰ্মে ৰাজ্যপালগৰাকীয়ে ৫গৰাকী অধিবক্তাক  আজি   বিশেষ ওকালতিৰ দায়িত্ব অৰ্পণ কৰে।    কিংবদন্তি শিল্পীগৰাকীৰ ৰহস্যজনক মৃত্যুৰ  গোচৰৰ ওকালতি  কৰাৰ বাবে   জিয়াউল কামাৰ ক বিশেষ লোক ফৰিয়াদি হিচাপে নিযুক্তিত অনুমোদন দিয়া হৈছে। একেদৰে তেওঁক সহায় কৰাৰ বাবে অতিৰিক্ত লোক

ফৰিয়াদি হিচাপে ব্ৰজেন্দ্ৰ মোহন চৌধুৰী, সহকাৰী বিশেষ লোক ফৰিয়াদি হিচাপে কিশোৰ দত্ত, প্ৰাঞ্জল দত্ত আৰু বিকাশ জামাৰৰ নিযুক্তিত অনুমোদন দিয়া হৈছে।

০০০০০০

বিশ্ব ঐতিহ্য ক্ষেত্ৰ মানস ৰাষ্ট্ৰীয় উদ্যানৰ বাঁহবাৰী বনাঞ্চলৰ প্ৰথম প্ৰৱেশদ্বাৰ প্ৰাংগনত অহা ২৩ জানুৱাৰীৰ পৰা ৯ দিনীয়া কাৰ্যসূচীৰে "মানাহ মহোৎসৱ" অনুষ্ঠিত হব। মানাহ মহোৎসৱ উদযাপন সমিতিৰ সভাপতি সুভাষ তিৰ্কীয়ে আজি কেইবাগৰাকী বিশিষ্ট ব্যক্তিৰ উপস্থিতি ত মহোৎসৱৰ লাইখুঁটা স্থাপন কৰে। মানস ৰাষ্ট্ৰীয় উদ্যানলৈ অহা পৰ্যটকসকলৰ আকৰ্ষণ বৃদ্ধি কৰিবলৈ প্ৰতি বছৰে এই মহোৎসৱৰ আয়োজন কৰা হয়। এই মহোৎসৱত উদ্যানখনৰ দাঁতিকাষৰীয়া বিভিন্ন জাতি-জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতি , খাদ্য সম্ভাৰ প্ৰদৰ্শন কৰা হ 'ব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে।

০০০০০০

ৰাজ্যত বিগত ১০ বছৰত মাধ্যমিক বিদ্যালয় আধাতে এৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ৪২ শতাংশলৈ হ্ৰাস পাইছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি সামাজিক মাধ্যম যোগে এই কথা প্ৰকাশ কৰি কয়, যে ৰাজ্যৰ শিক্ষানীতিৰ বাবে এয়া বৃহৎ জয় যদিও আধাতে বিদ্যালয় এৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা সম্পূৰ্ণ ৰূপে নাইকীয়া নোহাৱালৈকে ৰাজ্য চৰকাৰ ক্ষান্ত নহয়।

০০০০

২০২৬ বৰ্ষৰ ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ ট্ৰফী আজি প্ৰথমবাৰৰ বাবে গুৱাহাটীলৈ অনা হৈছে। ৰাজ্য চৰকাৰৰ ক্ৰীড়া বিভাগৰ উদ্যোগত লোক কৃষ্টি সংস্কৃতিৰে ফুটবল বিশ্বকাপৰ ট্ৰফীক আদৰণি জনোৱা হয়। পুৱাৰ ভাগত বিমানবন্দৰৰ পৰা ট্ৰফী সৰুসজাই ষ্টেডিয়ামলৈ আৰু বিয়লিৰ ভাগত বৰ্ষাপাৰাস্থিত এ চি এ ষ্টেডিয়ামলৈ নিয়া হয়। ট্ৰফী মুকলি কাৰ্যসূচীত প্ৰাক্তন বিশ্বকাপ বিজয়ী তথা ফিফাৰ প্ৰতিনিধি গিলবাৰ্টো আপাৰেচিড' দা ছিল্‌ভা উপস্থিত থাকে। বিশ্বকাপ ফুটবলৰ ট্ৰফীৰ আগমন উপলক্ষে এটি সংগীতানুষ্ঠানৰো আয়োজন কৰা হয়। এই অনুষ্ঠানত ৰিতু ৰিবা, শংকুৰাজ, অনুভৱ জৈন, অনুষ্কা মাস্কিয়ে অংশগ্ৰহণ কৰে। ৰাজ্য চৰকাৰে ট্ৰফী চোৱাৰ বাবে বিনামূলীয়াকৈ ৮-১০ হাজাৰ অনুমতি পত্ৰৰ ব্যৱস্থা কৰিছে।

০০০০

ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল কাইলৈ ৰাজকোটৰ নিৰঞ্জন শ্বাহ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন দিনৰ ডেৰ বজাত আৰম্ভ হ'ব। ভাৰত দেওবাৰে বডোডৰাত অনুষ্ঠিত প্ৰথমখন খেলত ৪ উইকেটত জয়লাভ কৰি শৃংখলাত ১-০ ফলাফলত আগবাঢ়ি আছে। শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল অহা দেওবাৰে ইন্দোৰত অনুষ্ঠিত হ'ব।

০০০০

**ঃঃ সমাপ্ত ঃঃ**